**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 21-10-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দেশ আৰু জাতিৰ হকে প্ৰাণ আহুতি দিয়া জোৱানসকলক স্মৰণ কৰি অসম আৰক্ষীয়ে আজি কাহিলীপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ানত আৰক্ষী স্মৃতি দিৱস পালন কৰে। এই দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিং, আৰক্ষী আয়ুক্ত দিগন্ত বৰাকে ধৰি শীৰ্ষ আৰক্ষী বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত আৰক্ষী জোৱাসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাজ্যপাল শ্ৰী আচাৰ্যই কয় যে চলিত বৰ্ষত সমগ্ৰ দেশত ২১৪ জন কৰ্তব্যৰত আৰক্ষী জোৱানৰ মৃত্যু হয়। এইসকলৰ ভিতৰত অসমৰো ছজন জোৱানে প্ৰাণ আহুতি দিবলগীয়া হৈছিল। দেশৰ প্ৰতি এনে সৰ্বোচ্চ বলিদানৰ বাবে জোৱানসকলক আজিৰ দিনটোত স্মৰণ কৰা হৈছে বুলি শ্ৰী আচাৰ্যই ব্যক্ত কৰে। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আৰক্ষী স্মৃতি দিৱসৰ আজিৰ দিনটোত জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে আইন-শৃংখলা ৰক্ষা আৰু নাগৰিক সুৰক্ষা সুনিশ্চিত কৰা অহৰ্নিশে কৰ্তব্যৰত আৰক্ষীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে।

**যোৰহাট**তো জিলা আৰক্ষীৰ উদ্যোগত পুলিচ ৰিজাৰ্ভত আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। জিলা আৰক্ষী অধীক্ষকে মুখ্য অতিথিৰূপে যোগদান কৰা অনুষ্ঠানটোত কৰ্তব্যৰত আৰক্ষী বিষয়াসকলক স্মৰণ কৰা হয়। তেওঁলোকৰ সাহস আৰু নিষ্ঠা সমাজৰ বাবে পাথেয় স্বৰূপ বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। ০০০০০০০

অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ অধীনত আজি বৰপেটাত প্ৰথমখন বি এছ চি নাৰ্চিং মহাবিদ্যালয় মুকলি কৰা হয়। ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল চৌহদত থকা বৰপেটা কেন্সাৰ কেয়াৰ চেণ্টাৰত স্থাপন কৰা মহাবিদ্যালয়খন ৰাজ্যৰ পৰিবহন, বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্তই আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভৱিষ্যদৰ্শী চিন্তা-চৰ্চাৰে এই মহাবিদ্যালয়খন স্থাপন কৰা হৈছে। ৰাজ্য চৰকাৰে স্বাস্থ্য খণ্ডত নাৰ্চসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনত নাৰ্চিং শিক্ষাৰ প্ৰসাৰৰ বাবে পদক্ষেপ লৈছে। যোৱা বাৰৰ ৰাজ্যিক বাজেটত অসমত ৯খন বি এছ চি নাৰ্চিং প্ৰতিষ্ঠান স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল। মন্ত্ৰীগৰাকীয়ে কয় যে নাৰ্চিং ক্ষেত্ৰত সম্প্ৰতি বিশেষ পাঠ্যক্ৰমৰ সূচনা হৈছে। অসম চৰকাৰেও এই অনুসৰি তেনে পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ পদক্ষেপ লৈছে বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰীমহন্তই কয় যে জাপানকে ধৰি বিশ্বৰ কেইবাখনো দেশে অসমৰ পৰা নাৰ্চ বিচাৰি যোগাযোগ কৰিছে। বিদেশত অসমৰ নাৰ্চে সেৱা আগবঢ়াব পৰাকৈ নাৰ্চিং পাঠ্যক্ৰমত বিদেশী ভাষা শিক্ষণ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে বুলি তেওঁ কয়। উল্লেখযোগ্য যে ২০১৮ চনত অসম চৰকাৰ আৰু টাটা ন্যাসৰ মাজত সম্পাদিত বুজাবুজিৰ চুক্তি অনুসৰি গঠন হোৱা অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনে নিৰ্মাণ কৰা কৰ্কট চিকিৎসালয়সমূহত সংলগ্ন এইখন প্ৰথম নাৰ্চিং কলেজ। কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ অধীনৰ ৯খন কৰ্কট ৰোগৰ চিকিৎসালয়ে সম্প্ৰতি ৰাজ্যত স্বাস্থ্য সেৱা আগবঢ়াই থকাৰ সমান্তৰালভাৱে ৮খনৰ নিৰ্মাণকাৰ্য অব্যাহত আছে। মন্ত্ৰীগৰাকীয়ে আজি মহাবিদ্যালয়খন মুকলি উপলক্ষে ইয়াৰ অধ্যাপক-অধ্যাপিকা আৰু অন্য সদস্যসকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত দিয়া ভাষণত অসম চৰকাৰৰ চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিঙে কয় যে ভাৰতত পৰৱৰ্ত্তী ১০টা বছৰত কমেও ২ কোটি নাৰ্চৰ প্ৰয়োজন হ'ব। অসমে এই চাহিদা পূৰণৰ অংশীদাৰ হ'ব বিচাৰিছে বুলিও শ্ৰীসিঙে উল্লেখ কৰে। উল্লেখযোগ্য যে আজি মুকলি কৰা এই শিক্ষা প্ৰতিষ্ঠানত ৩০খন আসন আছে আৰু ইয়াৰ নামভৰ্তি সম্পূৰ্ণ হৈছে।

০০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। ইতিপূৰ্বে শাসকীয় বিজেপিয়ে ৩টা সমষ্টিত প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও চাৰিটা সমষ্টিৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। উপ-নিৰ্বাচনৰ বাবে ৩২ নম্বৰ বঙাইগাঁও বিধানসভা সমষ্টিত অগপৰ হৈ দিপ্তীময়ী চৌধুৰীৰ নাম চূড়ান্ত কৰা হৈছে। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই দলীয় প্ৰাৰ্থী হিচাপে শ্ৰীমতী চৌধুৰীক মনোনীত কৰে। ইফালে, উপ-নিৰ্বাচনত পাঁচোটা সমষ্টিতে শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিব বুলি আজি মন্ত্ৰী কেশৱ মহন্তই বৰপেটাত সাংবাদিকৰ আগত মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে বঙাইগাঁৱত অসম গণ পৰিষদৰ প্ৰাৰ্থীগৰাকীয়ে বিপুল ভোটত জয়লাভ কৰিব বুলি দাবী কৰে। তেওঁ কয় যে বিগত ৩৮ বছৰে সমষ্টিটোত অসম গণ পৰিষদে জয়লাভ কৰি আহিছে। আনহাতে, শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটে উপ-নিৰ্বাচনত চামগুৰি সমষ্টিতো জয়লাভ কৰিব বুলি দাবী কৰি শ্ৰী মহন্তই বিৰোধী পক্ষৰ মূল্যবোধহীন নিৰ্বাচনী কুচ কাৱাজৰ তীব্ৰ সমালোচনা কৰে। ইপিনে, উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ইউ পি পি এল দলেও চিদলী সমষ্টিৰ বাবে নিৰ্মল কুমাৰ ব্ৰহ্মক বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। ০০০০০০০